**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-DEC-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

১। বজালীত আজি ভট্টদেৱ বিশ্ববিদ্যালয়ৰ নতুন চৌহদ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ উদ্বোধন।
২। বাংলাদেশৰ প্ৰথমগৰাকী মহিলা প্ৰধানমন্ত্ৰী বেগম খালেদা জিয়াৰ মৃত্যু।
৩। শীত প্ৰবাহ আৰু ঘন কুঁৱলীৰ বাবে বিগত ২৪ ঘণ্টাত ১২৮ খন ঘৰুৱা তথা আন্তঃৰাষ্ট্ৰীয় বিমান সেৱা বাতিল।

**আৰু**

৪। তিৰুৱনন্তপুৰমত আজি ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল।

০০০০০০

বজালীত আজি ভট্টদেৱ বিশ্ববিদ্যালয়ৰ নতুন চৌহদ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰিব। প্ৰায় ৫৩ কোটি টকা ব্যয় সাপেক্ষে বিশ্ববিদ্যালয়খনৰ এই নতুন চৌহদত প্ৰশাসনিক ভৱন, আধুনিক প্ৰযুক্তিসম্পন্ন পৰীক্ষাগাৰসহ তিনিটা শৈক্ষিক ভৱন, কেফেটেৰিয়া আৰু উপাচাৰ্যৰ লগতে অন্যান্য শৈক্ষিক আৰু অনাশৈক্ষিক বিষয়ববীয়াৰ বাবে আৱাসিক ভৱনৰ নিৰ্মাণ কৰা হৈছে। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগু, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাস আৰু সাংসদ ফণীভূষণ চৌধুৰী উপস্থিত থাকিব।

পাঠশালাৰ সমীপৰ মেধিকুছি গাঁৱৰ বিশ্ববিদ্যালয়খনৰ এই নতুন চৌহদ উদ্বোধনৰ পূৰ্বে ন-ৰূপত সজাই তোলা হৈছে। উল্লেখযোগ্য যে ১৯৫৫ চনৰ ১৬ আগষ্টত স্থাপিত পাঠশালাৰ ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান বজালী মহাবিদ্যালয়ক তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নেতৃত্বাধীন ৰাজ্য চৰকাৰে ভট্টদেৱ বিশ্ববিদ্যালয় বিধেয়ক ২০১৭ৰ অধীনত বিশ্ববিদ্যালয়লৈ উন্নীতকৰণৰ বাবে আইন প্ৰণয়ন কৰে। নব্য ঘোষিত বিশ্ববিদ্যালয়খন বজালীৰ প্ৰবাদ পুৰুষ আৰু অসমীয়া গদ্য সাহিত্যৰ জনক ভট্টদেৱ নামেৰে পৰিচিত বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্যৰ নামত উৎসৰ্গা কৰা হয়।

০০০০০০

বাংলাদেশৰ প্ৰথমগৰাকী মহিলা প্ৰধানমন্ত্ৰী বেগম খালেদা জিয়াৰ আজি পুৱা ঢাকাৰ এখন হাস্পতালত মৃত্যু হয়। দুৰাৰোগ্য ৰোগত ভুগি থকা বাংলাদেশ নেশ্যনেলিষ্ট পাৰ্টিৰ নেত্ৰীগৰাকীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৮০ বছৰ। ১৯৪৬ চনৰ ১৫ আগষ্টত তেতিয়াৰ পূব পাকিস্তানৰ দিনাজপুৰত জন্মগ্ৰহণ কৰা খালেদা জিয়া ১৯৬০ চনত তেতিয়াৰ পাকিস্তান সেনাবাহিনীৰ বিষয়া জিয়াউৰ ৰহমানৰ লগত বিবাহপাশত আবদ্ধ হয়। স্বামী জিয়াউৰ ৰহমান ১৯৭১ চনৰ বাংলাদেশৰ মুক্তিযুদ্ধৰ সময়ত প্ৰথম বাংলাদেশ স্বাধীনতাৰ ঘোষণা ৰেডিঅ' পাকিস্তান চট্টগ্ৰামৰ পৰা ঘোষণা কৰি পাকিস্তানৰ বিৰুদ্ধে মুক্তি বাহিনীৰ সংগ্ৰামৰ সূচনা কৰে। পৰৱৰ্তী কালত ১৯৭৭ চনত সামৰিক অভ্যুত্থানৰ জৰিয়তে জিয়াউৰ ৰহমানে প্ৰথমে সামৰিক প্ৰশাসক আৰু পাছত বাংলাদেশৰ ৰাষ্ট্ৰপতিৰ পদত অধিষ্ঠিত হয়। ১৯৮১ চনত আন এটা ব্যৰ্থ সামৰিক অভ্যুত্থানত জিয়াউৰ ৰহমানৰ হত্যাৰ পাছত বেগম খালেদা জিয়াই স্বামীৰ দ্বাৰা প্ৰতিষ্ঠিত বাংলাদেশ নেচনেলিষ্ট পাৰ্টিৰ নেতৃত্ব গ্ৰহণ কৰে। ১৯৯০ চনত বাংলাদেশৰ সাধাৰণ নিৰ্বাচনত বিজয়ী হৈ জামাত-ই-ইছলামীৰ সহযোগত খালেদা জিয়াই চৰকাৰ গঠন কৰে। ২০০৪ চনত বিস্ফোৰণৰ ঘটনাত দোষী সাব্যস্ত বুলি শ্বেখ হাছিনা চৰকাৰে খালেদা জিয়াক ১৭ বছৰৰ কাৰাদণ্ড বিহে আৰু ইয়াৰ পাছতে তেওঁ লণ্ডনত স্বনিৰ্বাসন যাপন কৰে।

২০২৪ চনৰ ছাত্ৰবিক্ষোভৰ পৰৱৰ্তী পৰ্যায়ত মহম্মদ ইউনুছৰ নেতৃত্বত তত্বাৱধায়ক চৰকাৰ গঠনৰ পাছতেই খালেদা জিয়াই লণ্ডনৰ পৰা বাংলাদেশলৈ প্ৰত্যাৱৰ্তন কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বেগম খালেদা জিয়াৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। এটা শোকবাৰ্তাত প্ৰধানমন্ত্ৰীয়ে ২০১৫ চনত বেগম খালেদা জিয়াৰ সৈতে তেওঁৰ বৈঠকৰ বিষয়ে স্মৰণ কৰে আৰু ভাৰতৰ সৈতে থকা তেওঁৰ সুসম্পৰ্কৰ কথা উল্লেখ কৰে।

০০০০০০

অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ৬৯ হাজাৰ ৩৪২ কোটি টকা ব্যয়সাপেক্ষ ১২ টা নতুন ৰে'ল প্ৰকল্পত ৰে'ল মন্ত্ৰ্যালয়ে অনুমোদন জনাইছে। ইয়াৰ ভিতৰত ৮ টা নতুন ৰে'লপথ প্ৰকল্প আৰু ৪ টা ৰে'লপথৰ দ্বৈতকৰণ প্ৰকল্প আছে। এই প্ৰকল্পৰ অধীনত সাতশ ৭৭ কিলোমিটাৰ ৰে'লপথ নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে আৰু ইয়াৰে ২৭৮ কিলোমিটাৰ ৰে'লপথ ইতিমধ্যে নিৰ্মাণৰ কাম আৰম্ভ হৈছে। ইয়াৰ বাবে ৪১ হাজাৰ ৬৭৬ কোটি টকা আবণ্টন দিয়া হৈছে।

ইপিনে, ৰে'ল মন্ত্ৰ্যালয়ে অহা ১ জানুৱাৰীৰ পৰা গুৱাহাটী আৰু চাইৰাঙৰ মাজত চলাচল কৰা ১৫৬০৯ আৰু ১৫৬১০ নম্বৰৰ এক্সপ্ৰেছ ৰে'লগাড়ীখনৰ সংশোধিত সূচী প্ৰত্যাহাৰ কৰিছে। এই ৰে'লগাড়ীখন এতিয়াৰ দৰেই সন্ধিয়া গুৱাহাটী এৰিব আৰু বিপৰীত দিশৰ পৰাও প্ৰতি সন্ধিয়া চাইৰাং এৰিব বুলি ৰে'লৰে বোৰ্ডৰ এখন বিজ্ঞপ্তিত কোৱা হৈছে। উল্লেখযোগ্য যে অসম ৰে'ল যাত্ৰী সংস্থা আৰু বৰাক উপত্যকাৰ ভালেকেইটা সংগঠনৰ লগতে মিজোৰামৰ ভালেসংখ্যক ব্যক্তিয়ে এই জনপ্ৰিয় ৰে'লগাড়ীখন দিনৰ ভাগত চলাবলৈ লোৱাৰ সিদ্ধান্তৰ প্ৰতিবাদ জনাইছিল।

০০০০০০

বিগত তিনি-চাৰিদিন ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গুৱাহাটী মহানগৰো শীতৰ কবলত পৰিছে। কালি গোটেই দিনটো ঘন কুঁৱলীয়ে মহানগৰৰ চৌপাশ আৱৰি ৰখাৰ ফলত দৃশ্যমানতা হ্ৰাস পায়। বৰঝাৰৰ বতৰ বিজ্ঞান কেন্দ্ৰৰ সূত্ৰই জনোৱা মতে গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ সৰ্বনিম্ন তাপমাত্ৰাৰ বিশেষ সাল-সলনি ঘটা নাই যদিও সৰ্বোচ্চ তাপমাত্ৰা দুদিনৰ ভিতৰত কমেও ৬ ডিগ্ৰী হ্ৰাস পাইছে। তদুপৰি যোৱা দুদিনত অঞ্চলটোত বেলিৰ পোহৰ যথেষ্ট কম হোৱাৰ বাবে জনসাধাৰণে শীতৰ প্ৰকোপ বঢ়া যেন অনুভৱ কৰিছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা ১৮দশমিক ৫ ডিগ্ৰী আৰু সৰ্বনিম্ন ১৫ দশমিক ৬ ডিগ্ৰী ছেলছিয়াছৰ আশে-পাশে থকা বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰে। ৰাজ্যৰ ভিতৰত সৰ্বোচ্চ তাপমাত্ৰা ধুবুৰীত সৰ্বাধিক হ্ৰাস পাইছে। কালি জিলাখনত ১৬ দশমিক ৯ ডিগ্ৰী ছেলছিয়াচ সৰ্বোচ্চ তাপমাত্ৰা ৰেকৰ্ড কৰা হয়। জিলাখনত সৰ্বনিম্ন তাপমাত্ৰা আছিল ১৩ দশমিক ৯ ডিগ্ৰী ছেলছিয়াছ। ডিব্ৰুগড়ত কালি সৰ্বোচ্চ তাপমাত্ৰা ২৫ দশমিক ৭ ডিগ্ৰী আৰু সৰ্বনিম্ন ১২ দশমিক ৮ ডিগ্ৰী ছেলছিয়াছ তাপমাত্ৰা ৰেকৰ্ড কৰা হয়।

গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰত কালি কেইবাখনো বিমানৰ উৰণ আৰু অৱতৰণ কেইবা ঘণ্টাও বিলম্ব হয়। শীত প্ৰবাহ আৰু ঘন কুঁৱলীৰ বাবে বিগত ২৪ ঘণ্টাত দেশৰ বিমান পৰিবহণ সংস্থাসমূহে কমেও ১২৮ খন ঘৰুৱা তথা আন্তঃৰাষ্ট্ৰীয় বিমানৰ সেৱা বাতিল কৰে। ভালেসংখ্যক বিমান বন্দৰত হালধীয়া সতৰ্কীকৰণ জাৰি কৰা হৈছে। তদুপৰি ৰাজধানী চহৰ দিল্লীৰ পৰা ভিন্ন প্ৰান্তলৈ উৰা মাৰিবলগীয়া ২০০ খন বিমানৰ উৰণৰ সময়সূচী পিছুৱাই দিয়া হয়। পৰৱৰ্তী কেইটামান দিনতো অসমৰ লগতে দেশৰ বিভিন্ন প্ৰান্তত কুঁৱলীৰ আচ্ছাদন একেদৰে থাকিব বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে। অসমত অহা ২ জানুৱাৰীলৈ আকাশ ঘন কুঁৱলীয়ে ঢাকি ৰাখিব বুলি কোৱা হৈছে। মেঘালয়, মণিপুৰ, মিজোৰাম আৰু নাগালেণ্ডতো ২ জানুৱাৰী পৰ্যন্ত ঘন কুঁৱলী থাকিব বুলি কোৱা হৈছে।

০০০০০০

বিশ্বনাথ জিলাৰ গহপুৰ পৌৰসভাৰ ধেনুধৰাত স্বচ্ছ ভাৰত নগৰীয়া অভিযানৰ দ্বিতীয় সংস্কৰণৰ অধীনত আৰু পঞ্চদশ বিত্তীয় আয়োগৰ অনুদানৰ সহায়ত চলি থকা গোটা আৱৰ্জনা ব্যৱস্থাপনা প্ৰকল্পৰ সম্প্ৰসাৰণ আঁচনিৰ কালি শুভাৰম্ভ কৰা হয়। ১ কোটি ৯ লাখ টকা ব্যয়সাপেক্ষে এই কেন্দ্ৰটো নিৰ্মাণ কৰা হ'ব। অনুষ্ঠানত বিশ্বনাথৰ পৌৰপতিৰ লগতে ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।

০০০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত গ্ৰন্থ মেলাৰ আজি সপ্তম দিনা কেইবাটাও কাৰ্যসূচী অনুষ্ঠিত হ'ব। গ্ৰন্থমেলাত আজি **অসমীয়া সাহিত্যত ৰাজনৈতিক ছদ্মৰূপী ব্যাখ্যান** শীৰ্ষক এখন আলোচনাসত্ৰ অনুষ্ঠিত হৈছে। বিয়লি আঢ়ৈ বজাত হ'বলগীয়া এই আলোচনাসত্ৰ বিশিষ্ট ইতিহাসবিদ তথা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° গজেন্দ্ৰ অধিকাৰীয়ে উদ্বোধন কৰিব। এই অনুষ্ঠানত লেখক তথা সাংবাদিক ৰূপম বৰুৱা, প্ৰকৃতিবিদ তথা লেখক সৌম্যদীপ দত্ত, সাংবাদিক পুলিন কলিতা, দেৱীকা দত্ত, অভিজ্ঞান অনুৰাগ আৰু ভাস্কৰজ্যোতি নাথে অংশগ্ৰহণ কৰিব। অনুষ্ঠানটি সাংবাদিক নৱ ঠাকুৰীয়াই পৰিচালনা কৰিব। বিয়লি ৫ বজাৰ পৰা সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হ'ব।

০০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত ধেমাজি জিলাত ৰূপায়িত উন্নয়নমূলক আঁচনিৰ অগ্ৰগতি সন্দৰ্ভত জিলা উন্নয়ন আয়ুক্ত দেৱেশ্বৰ বৰাৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিব আমাৰ ধেমাজিৰ সংবাদদাতা হৰেন্দ্ৰনাথ শৰ্মাই। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

০০০০০০

দক্ষিণ শালামাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰীত অনুষ্ঠিত ৫৯ সংখ্যক আন্তঃজিলা জুনিয়ৰ ভলীবল চেম্পিয়নশ্বিপৰ ছোৱালীৰ শাখাত শিৱসাগৰৰ দলে আৰু ল'ৰাৰ শাখাত তেজপুৰ দলে চূড়ান্ত বিজয়ীৰ খিতাপ অৰ্জন কৰিছে। ছোৱালী শাখাত বিজয়ী শিৱসাগৰ দলে ডিব্ৰুগড়ৰ দলক ৩-০ ব্যৱধানত পৰাস্ত কৰে। আনহাতে, ল'ৰাৰ শাখাত তেজপুৰ দলে গহপুৰত ৩-১ৰ ব্যৱধানত পৰাস্ত কৰে। ল'ৰাৰ শাখাত বিজয়ী দলৰ হিমাংশু বৰা আৰু ছোৱালী শাখাতো বিজয়ী দলৰ প্ৰাৰ্থনা গগৈ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে বিবেচিত হৈছে।

০০০০০০

ভাৰতৰ মহিলা ক্ৰিকেট দলটো আজি শ্ৰীলংকাৰ বিৰুদ্ধে পাঁচখনীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেলত অৱতীৰ্ণ হ'ব। খেলখন কেৰালাৰ তিৰুৱনন্তপুৰমৰ গ্ৰীন ফিল্ড আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। হৰমন প্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে ইতিমধ্যে শৃংখলাৰ চাৰিখন খেলত বিজয় অৰ্জনেৰে অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে। শৃংখলাত দেওবাৰে অনুষ্ঠিত চতুৰ্থখন খেলত ঘৰুৱা দলটোৱে ৩০ ৰানৰ ব্যৱধানত জয়লাভ কৰিছিল।

পৰৱৰ্তী বৰ্ষৰ জুন-জুলাইত হ'বলগীয়া মহিলাৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰস্তুতিৰ প্ৰতি লক্ষ্য ৰাখি চলিত শৃংখলাটো ভাৰতীয় দলৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণৰূপে বিবেচিত হৈছে। অহা মাহত হ'বলগীয়া মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত অংশ ল'বলগীয়া খেলুৱৈসকলেও এই শৃংখলাৰ জৰিয়তে প্ৰস্তুতিৰ সুযোগ লাভ কৰিছে।

০০০০০০

**সমাপ্ত**